**Date : 04-10-2024** **Time : 1715 Hrs.**

## *Assamese Evening Bulletin*

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি আৰু কাইলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলাৰ কাৰ্যালয় মুকলি কৰা হৈছে। এই প্ৰশাসনিক সংস্কাৰমূলক ব্যৱস্থাৰ দ্বাৰা এতিয়াৰে পৰা সাধাৰণ নাগৰিকে ভূমি ৰাজহ দণ্ডাধীকাৰ, উন্নয়ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, খাদ্য আৰু অসামৰিক যোগান, আবকাৰী আদি বিভিন্ন জিলা পৰ্যায়ৰ সেৱাসমূহ সমজিলাৰ কাৰ্যালয়তে লাভ কৰিব। বিত্তমন্ত্ৰী অজন্তা নেওগে সমজিলাৰ স্বীকৃতি লাভ কৰা যোৰহাট জিলাৰ তিতাবৰ সমজিলাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয় মুকলি কৰে। আনহাতে ৰাজ্য চৰকাৰৰ ভূমি সংৰক্ষণ, ৰেচম, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মাই গোৱালপাৰা জিলাৰ সমজিলাৰ স্বীকৃতি লাভ কৰা আগিয়া সমজিলাৰ কাৰ্যালয় মুকলি কৰে। একেদৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ধুবুৰী জিলাৰ সমজিলাৰ স্বীকৃতি লাভ কৰা গোলকগঞ্জ আৰু বিলাসীপাৰা সমজিলা দুখনৰ কাৰ্যালয় মুকলি কৰে। পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কৰিমগঞ্জ জিলাৰ ৰামকৃষ্ণ নগৰ আৰু পাথাৰকান্দিত দুখন সমজিলাৰ কাৰ্যালয় উদ্বোধন কৰে। গোলাঘাট জিলাৰ সমজিলা স্বীকৃতি লাভ কৰা ডেৰগাঁৱৰ সমজিলা আয়ুক্ত কাৰ্যালয় জিলাখনৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণে আনুষ্ঠানিকভাৱে মুকলি কৰে। ডেৰগাঁৱৰ চক্ৰবিষয়াৰ কাৰ্যালয়ৰ কাষতে থকা নতুন পৰিদৰ্শন বঙলাটোক ডেৰগাঁও সমজিলাৰ কাৰ্যালয় হিচাপে মুকলি কৰা হৈছে। আনহাতে জিলাখনৰ সমজিলাৰ স্বীকৃতি লাভ কৰা বোকাখাটৰ সমজিলা আয়ুক্তৰ কাৰ্যালয় কৃষিমন্ত্ৰী অতুল বৰাই ফিটা কাটি মুকলি কৰে। মন্ত্ৰী সঞ্জয় কিষাণে গোলাঘাটৰে ধনশিৰি সমজিলাৰ কাৰ্যালয়ো আনুষ্ঠানিকভাৱে মুকলি কৰে। গোলাঘাটৰ সৰুপথাৰেও সমজিলাৰ স্বীকৃতি লাভ কৰিছে।

ইপিনে, ৰাজ্যৰ প্ৰশাসনিক খণ্ডৰ নৱতম সংযোজন হিচাপে কামৰূপ মহানগৰ জিলাৰ জালুকবাৰী সমজিলাৰ আয়ুক্ত কাৰ্যালয় কাইলৈ মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমজিলা আয়ুক্তৰ কাৰ্যালয়টো মুকলি কৰিব। কামৰূপ মহানগৰ জিলাৰ জালুকবাৰীৰ উপৰি নিউ-গুৱাহাটী আৰু দিছপুৰক সমজিলাৰ স্বীকৃতি দিয়া হৈছে।

একেদৰে বঙাইগাঁৱৰ অভয়াপুৰী, কামৰূপ জিলাৰ ৰঙিয়া, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে মৰিগাঁৱৰ লাহৰিঘাট আৰু জাগীৰোড, হোজাই জিলাৰ লামডিং, দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁও, শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু ন-দুৱাৰ, বিশ্বনাথৰ গহপুৰ-বিহালী, লখিমপুৰ জিলাৰ ঢকুৱাখনা, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। আনহাতে, তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়াই সম-জিলা সমজিলাৰ স্বীকৃতি লাভ কৰিছে। ইফালে ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া, দুলীয়াজান, টিংখং আৰু খোৱাং, শিৱসাগৰৰ নাজিৰা আৰু ডিমৌ, গোলাঘাট সৰুপথাৰ আৰু দেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ আৰু চৰাইদেউ জিলাৰ মাহমৰাই সমজিলাৰ স্বীকৃতি লাভ কৰিছে। প্ৰথম পৰ্যায়ত আজি ১৭ খন সমজিলাৰ কাৰ্যালয় মুকলি কৰাৰ বিপৰীতে কাইলৈ ২২ খন সমজিলাৰ কাৰ্যালয় মুকলি কৰা হ'ব।

০০০০০০০

চলিত বৰ্ষৰ ৩০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ গুৱাহাটীত ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ অনুষ্ঠিত হ'ব। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়, পৃথিৱী বিজ্ঞান মন্ত্ৰালয় আৰু বিজ্ঞান ভাৰতীৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এই বিজ্ঞান মহোৎসৱৰ উদ্দেশ্য হৈছে – বৈজ্ঞানিক ধাৰণাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰা, সাফল্যক স্বীকৃতি দিয়া আৰু ভাৰতীয় জনসাধাৰণৰ মাজত বৈজ্ঞানিক সজাগতা বৃদ্ধি কৰা। আজি অনুষ্ঠিত এখন সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয় যে বিজ্ঞান মহোৎসৱত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ আলোচনাচক্ৰ, প্ৰদৰ্শনী, প্ৰতিযোগিতা, কৰ্মশালা, জ্ঞান বিনিময় কাৰ্যসূচী, প্ৰযুক্তি প্ৰদৰ্শনকে ধৰি আন বহুতো আকৰ্ষণীয় কাৰ্যসূচী থাকিব। এই মহোৎসৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৃষ্টিশীলতা প্ৰসাৰিত কৰাত গুৰুত্ব আৰোপ কৰিছে। ২০১৫ চনত নতুন দিল্লীত এই ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ আৰম্ভ হৈছিল।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

সেৱা পখেকৰ লগত সংগতি ৰাখি যোৰহাট জিলা তাৰকাগৃহৰ প্ৰেক্ষাগৃহত আজি এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই ভাষণ দিয়ে। এই সভাত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট জিলাৰ সভাপতি হেমন্ত কলিতাৰ লগতে দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে।

০০০০০০০